# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## সোমবাৰ, ৩০ মাৰ্চ, ২০২০

**গৃহ, ৰাজনৈতিক, কৰ্মচাৰী, সাধাৰণ প্ৰশাসন, সচিবালয় প্ৰশাসন, অসম চুক্তি ৰূপায়ণ, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ, নিৰ্বাচন, তথ্য আৰু জনসংযোগ, সীমান্ত অঞ্চল উন্নয়ন, ক্ৰীড়া আৰু যুৱ কল্যাণ, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, পৰ্য্যটন, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ, জলসিঞ্চন (স্বতন্ত্ৰ দায়িত্ব) আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত বিশেষ ভাৱে ন্যস্ত নকৰা আন যিকোনো বিভাগ সমূহ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **দৈয়াং বনাঞ্চলিক এলেকাৰ গাঁওবুঢ়া সকলৰ পাৰিতোষিক।**

শ্ৰীমৃণাল শইকীয়া ঃ

*২১৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গমাৰিগুৰি উন্নয়ন খণ্ডৰ অধীনত দৈয়াং বনাঞ্চলিক এলেকাত চৰকাৰে ১১৭ জন গাঁওবুঢ়াক নিয়োজিত কৰাটো সত্যনে ?

(খ) এই গাঁওবুঢ়া সকলে পাব লগা পাৰিতোষিক আৰু অন্যান্য সা-সুবিধা সমূহ লাভ কৰেনে ?

(গ) যদি নকৰে, এই সন্দৰ্ভত চৰকাৰে কি নীতি গ্ৰহণ কৰাৰ কথা চিন্তা কৰিছে ?

*বিষয় ঃ* **L.I.S কেন্দ্ৰ মেৰামতি আৰু উন্নিতকৰণ ।**

শ্ৰীনৱেন সোনোৱাল ঃ

*২১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১২০ নং নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত চাচনী মৌজাৰ অন্তৰ্গত বুঢ়ীদিহিং আৰু টকৌবিল L.I.S কেন্দ্ৰকেইটা স্থাপন কৰা আছে যদিও বৰ্তমান সময়ত কাৰ্য্যকৰী ক্ষেত্ৰত অক্ষম। এই সন্দৰ্ভত চৰকাৰ অৱগতনে ?

(খ) এই L.I.S কেইটাৰ অসামৰিক আৰু কাৰিকৰী ভাগকেইটা অচল হৈ পৰিছে। গতিকে ইয়াক পুনঃনিৰ্মাণ আৰু মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী হোৱাকৈ উন্নিতকৰণৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) যদি উন্নিতকৰণ ব্যৱস্থা হাতত লয়, তেন্তে ইয়াক কেতিয়ালৈ কাৰ্য্যকৰী কৰিব ? সবিশেষ জনাব ।

*Sub:* **FT Notice.**

Shri SHERMAN ALI AHMED:

*218. Will the Minister of Home be pleased to state :

(a) Is it true that the name of Anowara Khatun, W/O-Mohammad Ali of Village- Alopati Char is in the final NRC published in July/2019 ?

(b) Is it also true that FT. No.6, Barpeta registered a case against her and has also issued a notice on 01-02- 2020

to her to appear before the court on 27-03-2020 ?

(c) If yes, why ? Does it not make infructuous the whole the process of preparation of NRC at a cost of millions of rupees ? If Yes, what remedial measures the Govt. would take ?

*বিষয় ঃ* **আৰক্ষী চকী স্থাপন ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*২১৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত চৰকাৰে নতুনকৈ আৰক্ষী চকী স্থাপন কৰাৰ বাবে কোনো পৰিকল্পনা লৈছে নে ?

(খ) যদি লৈছে, বৰপেটা জিলাৰ অন্তৰ্গত জনীয়া সমষ্টিৰ ভৌগোলিক অৱস্থান আৰু বৃহৎ জনসংখ্যাৰ ওপৰত লক্ষ্য ৰাখি জনীয়া আৰু ঘৃগুবাড়ীত (খৰিচালা) দুখন নতুনকৈ আৰক্ষী চকী দিয়াৰ ব্যৱস্থা কৰিব নে ?

*বিষয় ঃ* **চিণ্ডিকেট ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*২২০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা অসমত গৰু চিণ্ডিকেটৰ লগত জড়িত কিমানজনক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ বা আটক কৰিছে তাৰ তালিকাৰ লগতে কিমানটা গৰু উদ্ধাৰ কৰিছে সেই তালিকা দিব ।

(খ) যোৱা ২৪ ফেব্ৰুৱাৰীত ৰঙিয়াত এছ এছ বিয়ে আটক কৰা গৰুকেইটা বৰ্তমান ক'ত আছে, সেই বিষয়ে বিতংকৈ জনাব ।

(গ) গৰু চিণ্ডিকেট বন্ধ কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ হাতত লৈছে, সেই বিষয়ে জনাব ? গৰু চিণ্ডিকেট বন্ধ কৰাৰ বাবে চৰকাৰে চি বি আইক দায়িত্ব দিব নে ? যদি দিয়ে, কেতিয়া দিব ?

*বিষয় ঃ* **Sub-Division সম্পৰ্কত ।**

শ্ৰীঅমৰ চাঁদ জৈন ঃ

*২২১। মাননীয় সাধাৰণ প্ৰশাসন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত চৰকাৰৰ দিনত ঘোষণা কৰা Sub-Division Office কাটিগড়া সমষ্টিত কাৰ্য্যক্ষম কৰাৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰিছে, ইয়াৰ যাৱতীয় কাম-কাজ কেতিয়াৰ পৰা আৰম্ভ হ'ব ?

(গ) কাটিগড়া সমষ্টিত Sub-Divisional S.D.O নিয়োগ কৰাৰ পিছতো আজিলৈ Office নিৰ্মাণৰ কাম-কাজ আৰম্ভ নোহোৱাৰ কাৰণ জনাব নেকি ?

(ঘ) যদি এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে, কেতিয়াৰ পৰা কাৰ্য্যক্ষম হ'ব ?

*বিষয় ঃ* **ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিকৰণ ।**

শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ

*২২২। মাননীয় ভৈয়াম জনজাতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমীয়াৰ জাতিৰ অন্যতম সোণোৱাল কছাৰী, দেউৰী আৰু ঠেঙাল কছাৰী জনগোষ্ঠীক সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে জনাই অহা দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি ইতিবাচক সহাৰি দিয়াৰ হকে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কোনো পদক্ষেপ গ্ৰহণ কৰা হৈছে নেকি ?

(খ) এই পৰিষদসমূহক (ছয়খন) ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ল নেকি ? যদি প্ৰেৰণ কৰা হ'ল, তেন্তে উক্ত প্ৰস্তাৱৰ প্ৰতিলিপি সদনত দাখিল কৰিব ।

(গ) দেউৰী স্বায়ত্ব শাসিত পৰিষদৰ সমষ্টি ২০ৰ পৰা ৪০টালৈ বৃদ্ধি কৰা হৈছে নেকি ? সাধাৰণ

শ্ৰেণীৰ কাৰণে সংৰক্ষণৰ সিদ্ধান্ত লৈছে নেকি ? প্ৰতিখন জিলা লৈ ৰাজ্য চৰকাৰৰ পৰা এই বিষয়ত পত্ৰ প্ৰেৰণ কৰা হৈছে নেকি ? যদি হৈছে, সদনত দাখিল কৰিব ।

(ঘ) জননেতা ভীমবৰ দেউৰী স্মৃতিভৱন, বৰবাৰী, হেঙেৰাবাৰী, মেগজিনত পাঁচ মহলীয়া ভৱন নিৰ্মাণৰ বাবে দেউৰী পৰিষদৰ পৰা কিমান টকা ধাৰ্য্য কৰা হৈছে ? অনুগ্ৰহ কৰি জনাব ।

*বিষয় ঃ* **খালী পদ পূৰণ সম্পৰ্কে।**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

*২২৩। মাননীয় সাধাৰণ-প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ উপায়ুক্ত কাৰ্য্যালয়ত Transformation & Development বিভাগত কিমান সংখ্যক পদ খালী হৈ আছে, তথ্য সদনত জনাব ?

(খ) উক্ত খালী পদ সমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ? যদি লোৱা নাই, কেতিয়া লোৱা হ'ব সদনত জনাব ?

(গ) উক্ত খালী হোৱা পদৰ বিষয়া-কৰ্মচাৰী সকলৰ কি পদমৰ্য্যদা আছিল, তথ্য সদনত দাখিল কৰিব ?

*বিষয় ঃ* **জলসিঞ্চনৰ ব্যৱস্থা।**

শ্ৰীকুশল দুৱৰী ঃ

*২২৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে ? কেন্দ্ৰীয় চৰকাৰৰ জলসিঞ্চন আঁচনিখন কোন কোন জিলাত কিমান কিমান ৰূপায়ণ কৰা হ'ল আৰু কিমান চাহিদা ক'ত ক'ত আছে সদনক অৱগত কৰিব ।

*বিষয় ঃ* **গ্ৰেজিং ৰিজাৰ্ভৰ সংখ্যা।**

শ্ৰীসুৰেন ফুকন ঃ

*২২৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন গ্ৰেজিং ৰিজাৰ্ভ (গো-চৰণীয়া) পথাৰ আছে ?

(খ) ইয়াৰ ভিতৰত কিমানখন গ্ৰেজিং ৰিজাৰ্ভ বে-দখল হৈছে, তাৰ তথ্য জনাবনে ?

(গ) ডিগবৈ সমষ্টিৰ টিংৰাই পঞ্চায়তৰ মামৰণী গো-চৰণীয়া পথাৰ, পানীখোৱা পঞ্চায়তৰ শুকান পুখুৰী গো-চৰণীয়া পথাৰ, বৰহাপজান পঞ্চায়তৰ গো-চৰণীয়া পথাৰ, বাৰেকুৰী পঞ্চায়তৰ দীঘলসাঁকো গো-চৰণীয়া পথাৰ আদি বহুকেইখন বে-দখলীকৃত গ্ৰেজিং ৰিজাৰ্ভৰ উচ্ছেদৰ ব্যৱস্থা ল'বনে ?

(ঘ) অসমত চাহ কোম্পানী সমূহে লীজ অনুসৰি কৰ দি থকা ভূমিতকৈ অধিক ভূমি বে-দখল কৰি থকাৰ সন্দৰ্ভত চৰকাৰ অৱগত নে ?

(ঙ) চাহ বাগিচা সমূহৰ হাতত থকা চৰকাৰে কোনো ৰাজহ নোপোৱা চৰকাৰী ভূমি অধিগ্ৰহণ কৰাৰ সন্দৰ্ভত কিবা পৰিকল্পনা আছে নেকি ?

(চ) ৰাজ্যৰ ভূমি পুনৰ জৰীপ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ হাতত আছেনে ?

*বিষয় ঃ* **'ডি' ভোটাৰৰ সংখ্যা।**

শ্ৰীনুৰুল হুদা ঃ

*২২৬। মাননীয় নিৰ্বাচন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত বৰ্তমান কিমানজন 'ডি' ভোটাৰ আছে ? (সমষ্টি আৰু গাঁও ভিত্তিক অসমৰ সম্পূৰ্ণ 'ডি' ভোটাৰৰ তালিকা উত্তৰৰ সৈতে সংলগ্ন কৰিব) ।

*বিষয় ঃ* **জনজাতি উন্নয়ন।**

শ্ৰীৰমাকান্ত দেউৰী ঃ

*২২৭। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমীয়া জাতিৰ অন্যতম অংগ তিৱা, মিচিং, ৰাভা জনগোষ্ঠীক সংবিধানৰ ষষ্ঠ অনুসূচীত

অন্তৰ্ভুক্ত কৰাৰ বাবে বিষয়টো পূৰ্বতে বিভাগীয় মন্ত্ৰী মহোদয়ে পৰ্য্যালোচনা সমিতি গঠন কৰা বুলি সদনত জনাইছিল। উক্ত সমিতিখনে চৰকাৰক কি প্ৰতিবেদন দাখিল কৰিলে আৰু বৰ্তমান চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে, সদনত জনাব।

(খ) বৰ্তমান অসমত কিমানটা ট্ৰাইবেল বেল্ট, ব্লক আছে? কিমানটা ট্ৰাইবেল বেল্ট, ব্লক বে-দখলৰ কৱলত আছে? ট্ৰাইবেল বেল্ট, ব্লক সমূহ বে-দখল মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? সদনত জনাব।

(গ) অসমত অনুসূচীত জাতি-জনজাতি উন্নয়ন শিতানৰ ২০১৬-১৭ চনৰ পৰা বৰ্তমানলৈ কিমান টকা, কোন আঁচনিৰ পৰিৰ্বতে, কোন চনত আবণ্টন দিয়া হৈছে, সঠিক তথ্য সদনত জনাব।

(ঘ) মৰিগাঁও জিলাত অনুসূচীত জাতি-জনজাতি উন্নয়ন শিতানৰ পৰা ২০১৬-১৭ চনৰ পৰা বৰ্তমানলৈ কোন চনত, কিমান টকা, কোন আঁচনিৰ নামত আবণ্টন দিয়া হৈছে? জনাব।

(ঙ) অনুসূচীত জাতি-জনজাতি উন্নয়ন সমিতি বৰ্তমানেও কিয় গঠন কৰা হোৱা নাই, সদনত জনাব।

*বিষয় ঃ* **ভূমি অধিগ্ৰহণৰ বাবত ক্ষতিপূৰণ।**

ডাঃ নোমল মমিন ঃ Received 20/6/20

*২২৮। মাননীয় ৰাজহ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)ইং২০১৯ চনৰ বাজেট অধিবেশনৰ ১৮ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখৰ ২৭৮নং তৰাবিহীন প্ৰশ্নৰ (খ) ত দিয়া উত্তৰৰ মতে কোন কোন পট্টাদাৰৰ কিমান অংশ ভূমি অধিগ্ৰহণ কৰা হ'ব সেইটো ঠিৰাং কৰা হ'লনে? যদি হ'ল, পট্টাদাৰৰ সংখ্যা কিমান আৰু তেওঁলোকৰ কিমান কিমান ভূমি অধিগ্ৰহণ কৰা হ'ব? পট্টাদাৰৰ নাম আৰু অধিগ্ৰহণ কৰিব বিচৰা ভূমিৰ পৰিমাণৰ তালিকা দাখিল কৰিব।

(খ) কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তই ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিলেনে? যদি কৰিলে প্ৰাক্কলন প্ৰস্তুত কৰি সংশ্লিষ্ট বিভাগক দাখিল কৰিলেনে? যদি প্ৰাক্কলন প্ৰস্তুত কৰা নাই, তাৰ কাৰণ কি আৰু কেতিয়া প্ৰস্তুত কৰিব? কিমান দিনৰ ভিতৰত পট্টাদাৰ সকলে অধিগৃহীত ভূমিৰ বাবত ক্ষতিপূৰণ পাব সদনক জনাব?

*বিষয় ঃ* **কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ।**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

*২২৯। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা ২০২০ চনৰ ফেব্ৰুৱাৰী মাহলৈ অসম চৰকাৰে ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলৰ কাইটীয়া তাঁৰ নিৰ্মাণৰ কাম কিমান কিলোমিটাৰ সম্পূৰ্ণ কৰিলে?

(খ) উক্ত সীমান্তৰ নদী অংশৰ বাংলাদেশী লোক অসম তথা ভাৰতলৈ অবৈধভাৱে প্ৰব্ৰজন কৰাটো বন্ধ কৰাৰ বাবে উক্ত সময় চোৱাত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিলে?

(গ) উক্ত সীমান্তত কাইটীয়া তাঁৰ নিৰ্মাণ কৰাৰ বাবত ২০১৬ চনৰ পৰা ২০২০ চনৰ ফেব্ৰুৱাৰী মাহলৈ কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক কিমান টকা অনুদান হিচাপে দিলে?

(ঘ) এনেভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকা কিমান খৰচ কৰা হ'ল আৰু কিমান টকা খৰচ কৰিবলৈ বাকী আছে?

*বিষয় ঃ* **সাংবাদিক সকলৰ কল্যাণ আৰু সুৰক্ষা।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*২৩০। মাননীয় তথ্য ও জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত (Recognition) কৰ্মৰত সাংবাদিকৰ সৰ্বমুঠ

সংখ্যা কিমান ? (জিলা ভিত্তিত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ নামৰ তালিকা আৰু কাম কৰা প্ৰতিষ্ঠানৰ নামসহ সদনত দাখিল কৰিব)

(খ) গুৱাহাটী ৰাজধানী মহানগৰীত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত আৰু এক্ৰিডিয়েটেড (Accredited) সাংবাদিকৰ সংখ্যা, নাম আৰু কৰ্মৰত প্ৰতিষ্ঠানৰ নাম জনাব ?

(গ) এই সাংবাদিক সকলৰ সামগ্ৰিক কল্যাণৰ বাবে কি আঁচনি গ্ৰহণ কৰিছে ? ইয়াৰ পৰা কিমান উপকৃত হৈছে, জনাব ?

(ঘ) বিগত ২০ বছৰত অসমত কিমানজন সাংবাদিক দুষ্কৃতিকাৰীৰ হাতত আহত আৰু নিহত হৈছে, জনাব (তথ্য সহ সদনত দাখিল কৰিব) ।

(ঙ) সাংবাদিকৰ সুৰক্ষাৰ দাবীত সাংবাদিক সংগঠন সমূহে দীঘদিন ধৰি আন্দোলন কৰি অহাটো চৰকাৰ অৱগতনে ? যদি অৱগত, তেনেহ'লে এই সাংবাদিক সকলৰ নিৰাপত্তাৰ বিষয়ে চৰকাৰে চিন্তা কৰিছেনে ?

(চ) অন্যান্য ৰাজ্যৰ দৰে অসমৰ সাংবাদিক সকলৰ সুৰক্ষাৰ স্বাৰ্থত অসমৰ সাংবাদিক সুৰক্ষা আইন অনাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **জলসিঞ্চন বিভাগের বকেয়া।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*২৩১। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ২০১২-১৩ অর্থ বর্ষের M&R(maintainance & repairing) প্রকল্পের অধীনে নিম্নে উল্লেখিত যে সকল প্রকল্প মঞ্জুর হয়েছিল, সেগুলোর কাজ শেষ হয়েছে কি ?

(খ) যদি হয়ে থাকে তবে সেই কাজগুলোর জন্য বরাদ্দকৃত অর্থ ঠিকাদারকে দেওয়া হয়েছে কি ?

(গ) যদি না দেওয়া হয়ে থাকে, তবে এর কারণ কি ?

(ঘ) এই কাজগুলোর মোট রাশি কত ?

(ঙ) কবের মধ্যে এই অর্থ-রাশি রিলিজ করা হবে তা সদনে জানাবেন ।

প্রকল্পগুলোর নাম -

1. M&R to embarkment to river Kushiara from kachua confluence to Karimganj town for 2012-13 (Secheme code-3).
2. M&R to embarkment along L/B along river Kushiara from kachua confluence to Karimganj town for 2012-13.
3. M&R to protecting the area from Phanirbond to Dullavpur from flooding of river Singla for 2012-13(Break closing at Panchdali ringbund).

*বিষয় ঃ* **মাটিৰ পট্টন আৰু premium।**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ

*২৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) The Assam Tribune কাকতত ২০১৯ চনৰ ২৪ ডিচেম্বৰত প্ৰকাশিত "High premiums stall land settlement process in State" আৰু একেখন কাকতে ২০২০ চনৰ ১৩ জানুৱাৰী তাৰিখে প্ৰকাশিত "New land policy draws flak for 'undue power' to Govt. officials" নামৰ বাতৰি দুটাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে ?

(খ) যদিহে অৱগত, ৰাজ্য চৰকাৰে গুৱাহাটী চহৰত ভূমি পট্টন দিয়াৰ বাবে ধাৰ্য্য কৰা বৃহৎ পৰিমাণৰ premium হ্ৰাস কৰাৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) গুৱাহাটী Urban Land Ceiling Act, ১৯৭৬ মতে পট্টনদাৰক ভূমি অধিগ্ৰহণ কৰাৰ বাবত প্ৰতি কঠাত কিমান টকা ক্ষতিপূৰণ দিয়া হৈছে ? এই অধিগৃহীত মাটি ভূমিহীনক পট্টন দিয়াৰ বাবে

প্ৰতি কঠাত ২০০৩ চনৰ পৰা কিমান টকা premium ধাৰ্য্য কৰা হৈছিল ?

(ঘ) বৰ্তমানৰ চৰকাৰে গুৱাহাটীত মাটি পট্টনৰ বাবে প্ৰতি কঠাত কিমান টকা premium ধাৰ্য্য কৰিছে ? লগতে নতুন ভূমি আইন মতে অসম চৰকাৰৰ সলনি কামৰূপ মহানগৰ জিলা উপায়ুক্তক ভূমি পট্টন দিয়াৰ বাবে premium ধাৰ্য্য কৰাৰ কৰ্তৃত্ব দিয়াটো সঁচানে ?

(ঙ) যদিহে ভূমি হীনৰ দখলত বাসস্থানৰ বাবে সৰ্বোচ্ছ দুকঠা মাটি আছে, তেনেহ'লে সেই ভূমিহীন পৰিয়ালে দুকঠা মাটি পট্টন পোৱাৰ যোগ্য নে ?

(চ) যোৱা তিনিবছৰত গুৱাহাটীত কিমানটা ভূমিহীন পৰিয়ালক মাটি পট্টন দিয়া হৈছে ? ইয়াৰ বাবে কিমান ধন premium হিচাপে চৰকাৰে লৈছে ।

*বিষয় ঃ* **"D" ভোটাৰ ।**

শ্ৰীআব্দুৰ কালাম ৰশিদ আলম ঃ

*২৩৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) "D" ভোটাৰ কি ? "D" ভোটাৰ কেনেকৈ সৃষ্টি হয় ? ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত "D" ভোটাৰ আছেনে ?

(খ) অসমত কিমান "D" ভোটাৰ আছিল আৰু বৰ্তমানে কিমান আছে ? সমষ্টিভিত্তিক তালিকা সহ জনাব । ইয়াৰে কিমানে স্বদেশী হিচাপে ৰায় পালে আৰু কিমানে বিদেশী হিচাপে ৰায় পালে ? ঘোষিত বিদেশী খিনি ক'ত আৰু কি পৰ্য্যায়ত আছে ?

(গ) অসমত কিমানটা Detention Camp আছে আৰু ক'ত ক'ত আছে ? ইয়াৰে কোন কোন Detention Camp ত কিমান সংখ্যক বন্দী (Detainee) আছে ? তাৰে কিমানে মৃত্যুবৰণ কৰিছে ? মৃত্যুৰ কাৰণ কি ? মৃত্যুবৰণ কৰা পৰিয়াললৈ কিবা ক্ষতিপূৰণ দিয়া হৈছে নেকি ? যদি দিয়া হোৱা নাই, কিয় ?

(ঘ) অসমত নতুনকৈ কোনো Detention Camp নিৰ্মাণ হৈ আছে নেকি ? যদি হৈ আছে, কিমানটা আৰু ক'ত ক'ত হৈ আছে ?

(ঙ) গোৱালপাৰা জিলাৰ নিৰ্মীয়মান Detention Camp নিৰ্মাণৰ কাম কাক দিয়া হৈছে ? এই কাম প্ৰাক্-কলন (Plan & Estimate) মতে হৈ আছে নে নাই সেয়া কোন বিভাগে চোৱা-চিতা কৰি আছে ? ঠিকাদাৰৰ নাম-ঠিকনা আৰু কামৰ Plan & Estimate আদি তথ্য সহ জনাব ।

*Sub :* **Foreigner's notice.**

Shri AMINUL ISLAM :

*234. Will the Minister of Political be pleased to state :

(a) Is the Govt. aware that notices are going to be served against the persons whose name have appeared in the final list of NRC by the Foreigners Tribunals to appear before concerned authority with necessary documents in support of their citizenship ? If yes, how many such persons have been served notices ? (Please furnish District wise data).

(b) How many persons have been released from the detention camps so far, who had been detained for a period of more than three years ? (Please furnish the list)

(c) How many detainees died in the detention camp till now ? (Please furnish the list of persons who died there)

(d) How many persons have been identified as "D" voters or declared Foreigners in the village of Balikotia under Juria P.S (Nagaon District) ? What were the steps taken regarding verification of their citizenship

before marking "D" symbol against their name in the voter list or referring the cases to FT ? (Please furnish the copies of prior investigation done for those persons of Balikotia in the August House).

*বিষয় ঃ* **চৰকাৰী আৱাসত থকা অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ।**

শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ

*২৩৫। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ চিঠি নং GAG(B) 276/2016/78 dtd. 27th February 2020 হুকুম মৰ্মে চৰকাৰী আৱাসত থকা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে চৰকাৰী আৱাসত ছয়মাহ থকাৰ পিছৰে পৰা অৱসৰৰ আগমূহুৰ্ত্তত পোৱা সৰ্বমুঠ দৰমহাৰ শতকৰা ৩০% কৰ্ত্তন কৰিবলৈ দিয়াটো সঁচানে ?

(খ) যি সময়ত অসম চৰকাৰে চৰকাৰী কৰ্মচাৰীৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে তেনেস্থলত চৰকাৰী আৱাসত থকা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক উক্ত নতুন নিৰিখৰ জৰিয়তে মাধমাৰ দিয়াৰ আঁচনি কিয় গ্ৰহণ কৰিছে ?

(গ) এইটো কথা চৰকাৰ জ্ঞাতনে যে এজন অৱসৰ পোৱা কৰ্মচাৰীয়ে তেওঁ পাৱ লগা পেঞ্চন, গ্ৰেচুইটি, কমোটেড ল'ন ইত্যাদি পোৱাৰ বাবে মাহৰ পিছত মাহ ধৰি চৰকাৰী কাৰ্য্যালয়ত বাট কুৰি বাই থাকিব লগা হয় ?

(ঘ) এজন অৱসৰ প্ৰাপ্ত কৰ্মচাৰীয়ে নতুন নিৰিখ অনুযায়ী চৰকাৰী আৱাসত থকাৰ বিনিময়ত মাহিলী ১৫/২০ হাজাৰ টকা দিব পৰাটো সম্ভৱ নে ?

(ঙ) নতুন নিৰিখ দিব নোৱাৰি কোনোৱা অসহায় আৱাসীৰ যদি কিবা দুৰ্ঘটনা হয় সেই কৰ্মচাৰীৰ পৰিয়ালৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিবনে ?

(চ) চৰকাৰে সহানুভুতিৰে বিবেচনা কৰি অৱসৰ প্ৰাপ্ত এনে আৱাসী কৰ্মচাৰীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(ছ) যদি কৰে, কেতিয়া কৰিব ?

---

AGP (Mini) 61/20-L.A.Q.-750-24-03-20